
**জয় গুৰু শঙ্কৰ**

গোপাল কৃষ্ণ নামঘৰ উন্নয়ন সমিতিৰ সৌজন্যত

# ১৯ সংখ্যক বাৰ্ষিক মহাপালনাম

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম,
তোহাৰি চৰণকু ৰেণু শত কোটি
বাৰেক কৰোহো প্ৰণাম।।



**তাৰিখ ঃ ২৭ আৰু ২৮ বহাগ**

**(ইং ১১ আৰু ১২ মে', ২০১৭)**

**স্থান ঃ গোপাল কৃষ্ণ নামঘৰ প্ৰাঙ্গন**

**আমবাৰী ৰেলৱে কল'নি, গুৱাহাটী - ৭৮১০০১**

পঞ্জীয়ন নং ঃ KAM/240/V/238

কৃষ্ণ এক দেৱ দুখহাৰি কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে নাহি আন কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।।

গোপাল কৃষ্ণ নামঘৰ প্ৰাঙ্গনত সমৱেত হোৱা পৰম শ্ৰদ্ধাভাজন সকলো বাপ-বান্ধৱ আৰু আইসকল, আজি আমাৰ পুণ্যভূমি গোপাল কৃষ্ণ নামঘৰৰ প্ৰতিষ্ঠা দিৱস আৰু মহাপালনাম ভাগিৰ শুভাৰম্ভৰ পবিত্ৰক্ষণত মই স-ভক্তিৰে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিব ওলাইছো।

১৯৮২ চনতে আমবাৰীৰ ৰেলৱে আৱাসৰ মহিলা আৰু অঞ্চলটোৰ ওচৰতে থকা কেইগৰাকীমান উদ্যমী মহিলাই জাতি, বৰ্ণ নিৰ্বিশেষে সকলোৰে সৰ্বাঙ্গীন উন্নতিৰ কাৰণে কেইডালমান বাঁহ আৰু টিঙেৰে চালি এখন সাজি তাৰ তলতে গোপাল কৃষ্ণ নামঘৰটি স্থাপন কৰে। সাধাৰণভাৱে চাকি-বন্তি জ্বলাই দহ/বাৰ গৰাকীমান মহিলাই প্ৰতি বৃহস্পতিবাৰে নাম-প্ৰসঙ্গ কৰিছিল। সেই মহিলাসকলে নাম-কীৰ্ত্তন কৰি গৈ থাকোতে ভগৱন্ত প্ৰভুৰ কৃপাদৃষ্টি পৰিল। সেই হৰিনামৰ কৃপাৰ ৰসে বৈকুণ্ঠ প্ৰকাশ হ'ল— "হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে প্ৰেম অমৃতৰ নদী।" লাহে লাহে নামঘৰটিৰ উন্নতি হ'ল আৰু বাপ-বান্ধৱ, আইসকলৰ সংখ্যা বাঢ়ি গৈ থাকিল।

শ্ৰীযুত কনকলাল মেধীৰ পৰিয়ালবৰ্গৰ হৈ দেৱযানী মেধীয়ে ১৯৯৮ চনৰ ১২ মে' তাৰিখে এই নামঘৰটিলৈ গুৰু আসনখনি দান দিয়ে। সেই তেতিয়াৰ পৰাই প্ৰতি বছৰেই প্ৰতিষ্ঠা দিৱসৰ দিনা মহাপালনাম ভাগিৰ আয়োজন কৰি অহা হৈছে। আজি আমাৰ ১৯ সংখ্যক মহাপালনামভাগ শ্ৰীযুত হৰিপ্ৰসন্ন মহন্তদেৱ সত্ৰাধিকাৰে পৰিচালনা কৰে। গুৰু আসন প্ৰতিষ্ঠা হোৱাৰে পৰা ভক্ত বাপ-বান্ধৱ আৰু আইসকলে পৰম একাগ্ৰতাৰে দান-দক্ষিণা আগবঢ়াই আহিছে।

মুক্তিৰ একমাত্ৰ উপায় 'একশৰণ নামধৰ্ম'। যি নামধৰ্ম আমাৰ কৃপালু গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে আমাক দি গৈছে। ধৰ্মৰ নামত আড়ম্বৰপূৰ্ণ পূজা-পাতল, যাগ-যজ্ঞ, পশুবলি আদিৰে পূজা কৰা হৈছিল। প্ৰচলিত বহু দেৱ-দেৱীৰ পূজা-পাতলৰ বিপৰীতে এজন প্ৰধান দেৱতা 'কৃষ্ণ' ভক্তিৰ আদৰ্শৰে আড়ম্বৰহীন একশৰণ হৰি নামধৰ্ম প্ৰচাৰ কৰিলে শ্ৰীমন্ত শঙ্কৰদেৱে। এই একশৰণ হৰি নামধৰ্ম প্ৰচাৰৰ ঘাই কেন্দ্ৰ হ'ল 'নামঘৰ'।

“হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদী।।
গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ ইহাৰ নিজৰা
হৰি নামে মূলধাৰা।।”

শ্ৰীমন্ত শঙ্কৰদেৱে বৰদোৱাত কীৰ্ত্তন ঘৰ সাজি ভক্তিৰ প্ৰথম খুটিটো মৰাৰ উপৰিও সত্ৰ আৰু নামঘৰৰো বীজ ৰোপণ কৰে। ১৫২২ চনত শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীমাধৱদেৱক লগ পায়। এই দুই মহাপুৰুষৰ মিলনকে ‘মণি-কাঞ্চনৰ’ সংযোগ হোৱা বুলি কয়।

ভাগৱত পুৰাণৰ সগুণ ঈশ্বৰৰ প্ৰেমসূচক ধৰ্মই হৈছে শঙ্কৰদেৱৰ ধৰ্ম। নৱধা ভক্তিৰ ভিতৰত নিৰ্গুণ কৃষ্ণৰ শ্ৰৱণ-কীৰ্ত্তনকে এই ধৰ্মত শ্ৰেষ্ঠ স্থান দিয়া হৈছে। শেষৰ ফালে তেওঁ মাধৱদেৱক নিজৰ উত্তৰাধিকাৰীৰূপে প্ৰচাৰ কাৰ্য্যৰ দায়িত্বভাৰ সমৰ্পণ কৰি কোচবিহাৰলৈ যায়। সেই ঠাইত দুবছৰ মান থকাৰ পিছত ১৪৯০ শকত তেওঁ বৈকুণ্ঠগামী হয়।

নামঘৰ নামৰ পৱিত্ৰধামৰ স্ৰষ্টাজন হৈছে জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ। আমাৰ গোপাল কৃষ্ণ নামঘৰত জাতি, বৰ্ণ নিৰ্বিশেষে সকলোৱে আহি নামঘৰৰ প্ৰাঙ্গনত প্ৰাৰ্থনা কৰাৰ অধিকাৰ আছে। প্ৰত্যেক বৃহস্পতিবাৰে আইসকল সমৱেত হৈ নাম-প্ৰসঙ্গ কৰে। সপ্তাহত এদিন ভাগৱত পাঠ কৰা হয় আৰু পৱিত্ৰ ভাদ মাহৰ প্ৰতিদিনেই হোৱা নাম-প্ৰসঙ্গই চৌদিশ মুখৰিত আৰু মধুময় কৰি তোলে। তাৰোপৰি গুৰুজনাৰ জন্ম তিথি, মৃত্যু তিথি, মাধৱদেৱৰ তিথি, জন্মাষ্টমী আদি প্ৰতি বছৰে নিষ্ঠাৰে পালন কৰি অহা হৈছে। প্ৰতিষ্ঠা দিৱসৰ দিনা ভাগৱত পাঠ, ধৰ্মীয় আলোচনা আৰু লগতে পালনামৰ আয়োজন কৰা হৈছে। এই উৎসৱবিলাকত প্ৰতি গৰাকী বাপ-বান্ধৱ, মহিলা আৰু বিশেষকৈ আমাৰ নামঘৰৰ বাপ শ্ৰীযুত বীৰেন পাঠকদেৱৰ সহায়-সহযোগ উল্লেখনীয়। এই নামঘৰটিলৈ অহা প্ৰতিগৰাকী মহিলাই একে ধৰণৰ সাজপাৰ পৰিধান কৰা দৃশ্য সঁচাকৈয়ে অতি নিৰুপম। নামঘৰটিৰ উন্নতিৰ মূলতেই হ’ল আমাৰ বাপজনাৰ অক্লান্ত পৰিশ্ৰম আৰু সহযোগিতা।

অশেষ চেষ্টাৰ মূৰত সামূহিক প্ৰচেষ্টা আৰু শুভাকাংক্ষীসকলৰ সহযোগত ‘গোপাল কৃষ্ণ’ নামঘৰে বৰ্তমান অৱস্থাপ্ৰাপ্ত হোৱাত আমি গৌৰৱ অনুভৱ কৰিছো।

যোৱা ২০০৭ বৰ্ষত তিনিদিনীয়া কাৰ্য্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা হৈছিল। সেই উদ্দেশ্যে এখনি আটকধুনীয়া স্মৰণিকাও প্ৰকাশ কৰা হৈছিল।

গোপাল কৃষ্ণ নামঘৰৰ চাৰিসীমা এনেধৰণৰ— পূবে ৰেলৰ আৱাসগৃহ, পশ্চিমে আমবাৰীৰ বিখ্যাত বুঢ়া মছজিদ আৰু ৰেল আস্থান, উত্তৰে গোপীনাথ বৰদলৈ পথ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মূৰ্ত্তিৰে এখনি ঘূৰণীয়া উদ্যান, দক্ষিণে ৰেল বিভাগৰ কিছু খালি মাটি আৰু উলুবাৰী।

অক্লান্ত পৰিশ্ৰমেৰে এই নামঘৰটি প্ৰতিষ্ঠা কৰাত অৰিহণা যোগোৱা কেইবাগৰাকী আই ইতিমধ্যে স্বৰ্গগামী হৈছে। আজিৰ এই শুভক্ষণত তেখেতসকলক আমি ভক্তি আৰু শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু আত্মাৰ সদ্‌গতি কামনা কৰিছো।

সমাজত চলি থকা কু-সংস্কাৰ, অন্ধবিশ্বাস, বিভিন্নতা আদি মষিমূৰ কৰি গুৰুজনাই বিষ্ণু ভকতৰ সঙ্গত পবিত্ৰ হৈ হৰিনাম মূল মন্ত্ৰৰূপে লৈ "ভকতি লভিয়া সংস্কাৰ তৰিয়া সুখে বৈকুণ্ঠ চলয়" বুলি কৈছে। শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা নিৰ্গুণ কৃষ্ণৰ মহিমা প্ৰচাৰ কৰাই হৈছে নামঘৰসমূহৰ মূল উদ্দেশ্য। নামঘৰে ভকতিৰ চাৰিখুটা একেলগে বান্ধি সমাজৰ ভেটি সুদৃঢ় কৰি ৰাখিছে। ভকতিৰ লগতে কৃষ্টি-সংস্কৃতিৰে অসমীয়া জাতিটোক গুৰুজনাই চহকী কৰি থৈ গৈছে।

দ্বাপৰ যুগৰ পূৰ্ণ অৱতাৰ ভগৱান শ্ৰীকৃষ্ণৰ অমৃতময় দিব্যকাহিনীৰে সমৃদ্ধ গ্ৰন্থ হৈছে 'ভাগৱত'। দৰাচলতে আমি সকলোৱে মৃত্যুদণ্ড শিৰত লৈ জীৱন-যাপন কৰি আছো। এই দুখ-যন্ত্ৰণাময় সংসাৰৰ পৰা উদ্ধাৰ হ'বলৈ ভাগৱত হৈছে এপাত চাবি বা অমোঘ মন্ত্ৰ।

সদৌ শেষত গুৰুজনাৰ পদযুগল সুঁৱৰি আমাৰ প্ৰতিবেদন সামৰিলো।

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি নাই
আমাৰ পৰম গুৰু।।

*ইতি—*

**দীপা দাস**
*সম্পাদিকা*
গোপাল কৃষ্ণ নামঘৰ উন্নয়ন সমিতি

১২ মে', ২০১৭
আমবাৰী ৰেলৱে কল'নি
গুৱাহাটী - ৭৮১০০১

প্ৰকাশক ঃ একাডেমী পাব্লিচাৰ্চ